Updated Guidelines for UG Examinations

# Open Text Book Examination 2021 (OTBE-2021)

## Gauhati University

20 June 2021

## Salient Features of the OTBE-2021

1. The examinations in this session will be an OTBE which will be held online.

2. There **WILL NOT** be any offline **OR** physical facility during the whole process of examination. All processes including downloading of question papers and uploading of answer scripts will **ONLY** be available in the online mode.

3. All students have to equip themselves with proper equipment with sufficient network connectivity bandwidth and data pack so as to comfortably complete the OTBE within the stipulated time. It is extremely important to note that the university will **NOT** entertain any complaint in this regard.

4. The university will provide a Practice Examination Session for the students to rehearse the entire procedure on **18th** & **19th June, 2021**.

## OTBE-2021 ৰ লক্ষ্যনীয় দিশসমূহ

1. এই  OTB পৰীক্ষা অ্নলাইন্ মাধ্যমেৰে হ'ব।

2. এই পৰীক্ষাৰ সন্দৰ্ভত সৰ্বসাধাৰণতে হোৱাৰ নিচিনাকৈ কোনো ধৰণৰ কায়িক (physical or offline) কাৰ্য্যাৱলী **নাথাকিব**।  প্ৰশ্নকাকত ডাউনলোড্ কৰাৰ পৰা পৰীক্ষাবহী আপলোড্ কৰালৈকে, পৰীক্ষাৰ সকলো প্ৰক্ৰিয়া **মাত্ৰ** অনলাইন্ মাধ্যমতে হ'ব।

3. সকলো পৰীক্ষা প্ৰাৰ্থীয়ে, লাগতীয় সকলো সা-সৰ্জুঁলি যেনে কম্পিউটাৰ, স্মাৰ্ট ফোন্ ইত্যাদি নিজেই নিজৰ কাৰণে আগতীয়াকৈ যোগাৰ কৰি ল'ব কাগিব।  সকলো প্ৰাৰ্থীয়ে, ইন্টাৰনেট্  ডাটা পেক্ আৰু যাৰতীয় ইন্টাৰনেট্ সংযোগৰ কাৰণে লগা সুবিধাসমূহ নিজে নিজে যোগাৰ কৰিব লাগিব যাতে, এই অনলাইন্ OTB পৰীক্ষাত, তেওঁলোকে কোনোধৰণৰ অসুবিধাৰ সন্মুখীন নোহোৱাকৈ সুকলমে অৱতীৰ্ণ হ'ব পাৰে।  এইটো অতি গুৰুত্বপূৰ্ণ আৰু মন কৰিবলগীয়া কথা যে, গুৱাহাটী বিশ্ববিদ্যালয়ে, এই সন্দৰ্ভত কোনো ধৰণৰ অভিযোগ গ্ৰহণ **নকৰিব**।

4. বিশ্ববিদ্যালয়ে, এই গোটেই প্ৰক্ৰিয়াটোক ছাত্ৰ-ছাত্ৰীৰ মাজত, আগতীয়াকৈ অনুশীলনৰ কাৰণে **18** আৰু **19 জুন, 2021** ত মুকলি কৰি দিব।

## The Examination Procedure

*Following are the steps which a student will need to follow in order to appear in the OTBE. The detailed date and respective online links will be published in due course of time.*

### Prior to the OTBE

1. The student will need to update his / her mobile number through the IUMS. If a student has **NOT** updated the mobile number, s/he can know the mobile number already registered from IUMS portal by downloading the registration details.

## পৰীক্ষা প্ৰক্ৰিয়া

এই  *OTBE* ৰ সন্দৰ্ভত, এজন পৰীক্ষাৰ্থীয়ে মানিব লগীয়া নিয়মখিনি তলত দিয়া হৈছে।   এই প্ৰক্ৰিয়াত প্ৰয়োজন হোৱা ওৱেব্ চাইট্ তৰ বিস্তৃত বিৱৰণ আৰু অনান্য তথ্য যথাসময়ত প্ৰকাশ কৰা হ'ব।

### OTB পৰীক্ষা অনুস্থিত হোৱাৰ আগতে

1. সকলো ছাত্ৰ-ছাত্ৰীয়ে নিজৰ নিজৰ মোবাইল্ নাম্বাৰ্, বিশ্ববিদ্যালয়ৰ IUMS ব্যৱস্থা প্ৰণালীৰ জৰীয়তে অন্তৰ্ভুক্ত কৰিব লাগিব। যদি কোনো পৰীক্ষাৰ্থীয়ে, নিজৰ মোবাইল নাম্বাৰ আপডেট্ কৰিব পৰা নাই, তেন্তে তেঁও IUMS পোৰ্টেলৰ পৰা, ইতিমধ্যে পঞ্জীয়ন কৰা নাম্বাৰটো, পঞ্জীয়ন তথ্যৰ বিৱৰণৰ পৰা জানিব পাৰিব।


© Gauhati University, 2021

2. The student is **strongly** advised to visit the Practice OTBE portal for a rehearsal of the whole process.

2. ছাত্ৰ-ছাত্ৰী সকলে, অনুশীলনৰ কাৰণে মুকলি কৰি দিয়া ওৱেব্ চাইট্ ত ভাগলোৱাটো **অত্যন্তই** বাঞ্ছনীয়।

### On the day of the OTBE

1. The student will need to login to the examination portal using the GU Registration Number, Date of Birth, and the Registered Mobile Number. It is important to NOTE that the mobile number already registered can be known by downloading the registration details at the IUMS portal. Students **MUST** provide this registered mobile number, even if this number not in use anymore OR does not belong to the student. This number will be used to authenticate the student. NO OTP will be sent to this number.
2. The student then downloads the respective question paper on his / her device.
3. The student needs to write the answers using a pen on A4 sheets (for details, please **this page**) of paper (please also see the **limitations** on size of the scanned answer sheets to be uploaded).
4. The student then scans the answer sheets and convert the scanned pages to a PDF (Portable Document Format) file using advised procedure (see below to know how).
5. At the end of the examination, the students upload the the scanned PDF file(s) to the examination portal.

*The upload facility will open after half an hour of the commencement of the examination and will remain open up to one hour after the end of the examination.*

### OTB পৰীক্ষা অনুস্থিত হোৱাৰ দিনা

1. প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাৰ দিনা পৰীক্ষাৰ ওৱেব্ চাইট্ ত নিজৰ গু: বি: বিদ্যালয়ৰ পঞ্জীয়ন নং, জন্মৰ তাৰিখ, আৰু পঞ্জীয়ন কৰা মোবাইল্ নাম্বাৰৰ ভৰাই লগ্-ইন্ (login) কৰিব লাগিব। এইখিনিতে এটা কথা মনকৰিবলগীয়া যে, ইতিমধ্যে পঞ্জীয়ন কৰা মোবাইল্ নাম্বাৰটো, পৰীক্ষাৰ্থীসকলে IUMS পোৰ্টেলত থকা পঞ্জীয়ন তথ্যৰ পৰা জানিব পাৰিব। এই মোবাইল্ নাম্বাৰটো পৰীক্ষাৰ্থীৰ ন'হ'লেও নাইবা নাম্বাৰটো অচল বা বিকল হৈ থাকিলেও, পৰীক্ষাৰ্থীসকলে পৰীক্ষাৰ ওৱেব্ চাইটত **এই নাম্বাৰটোৱেই** ব্যৱহাৰ কৰিব লাগিব। এই মোবাইল্ নাম্বাৰটোত কোনো ধৰণৰ OTP নাযায়, ইয়াক মাত্ৰ লগ্-ইন্ ৰ কাৰণেহে ব্যৱহাৰ কৰা হ'ব।
2. প্ৰতিজন পৰীক্ষাৰ্থীয়ে প্ৰশ্নকাকতখন নিজৰ নিজৰ কম্পিউটাৰ বা স্মাৰ্টফোনলৈ ডাউনলোড্ কৰিব লাগিব।
3. প্ৰতিজন পৰীক্ষাৰ্থীয়ে, পৰীক্ষাৰ উত্তৰ, নিজৰ হাতেৰে, বগা A4 (এ-ফ'ৰ) আকৰৰ কাগজত লিখিব লাগিব (সবিশেষ জানিবলৈ **এই পৃষ্ঠা** চাওক)। পৰীক্ষাৰ্থী সকলে, আপলোড্ কৰিবলগীয়া উত্তৰ বহীৰ, সৰ্বোচ্চ ফাইল্ ৰ **আকাৰৰ** (file size) প্ৰতিও মন দিয়া উচিত।
4. পৰীক্ষাৰ্থী সকলে তেওঁলোকৰ উত্তৰ বহীৰ পৃষ্ঠাবোৰক স্কেন্ (scan) কৰি এটা মাত্ৰ PDF (পৰ্টেবোল্ ডকুমেন্ট্ ফৰমাট) ফাইললৈ পৰিবৰ্তিত কৰিব লাগিব (কেনেকৈ কৰিব, তাৰ কাৰণে তলত চাওক)।
5. পৰীক্ষাৰ অন্তত, তেওঁলোকে তৈয়াৰ কৰা PDF ফাইল্ টোক, পৰীক্ষাৰ ওৱেব্ চাইট্ ত আপলোড্ কৰিব লাগিব।

উত্তৰ বহী আপলোড্ কৰাৰ সুবিধা, পৰীক্ষা আৰম্ভ হোৱাৰ আধাঘন্টাৰ পাছৰ পৰা পৰীক্ষা শেষহোৱাৰ এঘন্টাৰ পাছলৈকে উপলব্ধ হ'ব।

## Downloading the Question Paper

The question paper for each OTBE will be available for download in the examination portal 30 minutes prior to the commencement of the examination.

## প্ৰশ্নকাকত ডাউনলোড্

প্ৰতিটো OTB পৰীক্ষাৰ কাৰণে, প্ৰশ্নকাকতখন, পৰীক্ষা আৰম্ভ হোৱাৰ 30 মিনিট আগতে ডাউনলোড্ ৰ কাৰণে



© Gauhati University, 2021

## Uploading the Answer scripts

The student will be able to upload the PDF copy of the answer script after 30 minutes from the time of commencement of the examination and the upload facility will be available until one hour (60 minutes) after the end of the examination.

*For example, if the actual time of the examination is from 09:00 hours to 12:00 hours, the question paper will be available to the student at 08:30 hours. The uploading window will be open from 09:30 hours and will remain open till 13:00 hours.*

## উত্তৰ বহী আপলোড্

পৰীক্ষাৰ্থী সকলে পৰীক্ষা আৰম্ভ হোৱাৰ 30 মিনিটৰ পাছৰ পৰা পৰীক্ষা শেষহোৱাৰ এঘন্টা পাছলৈকে, উত্তৰ বহী আপলোড্ কৰিব পাৰিব।

উদাহৰণস্বৰূপে, যদি পৰীক্ষাৰ সময়সীমা *09:00* বজাৰ পৰা *12:00* বজালৈকে হয়, তেন্তে প্ৰশ্নকাকতখন *08:30* বজাত ডাউনলোডৰ কাৰণে উপলব্ধ হ'ব। আৰু পৰীক্ষাৰ উত্তৰ বহী, পৰীক্ষাৰ্থী সকলে, *09:30* বজাৰ পৰা *13:00* বজালৈকে আপলোড্ কৰিব পাৰিব।

## Upload Limits

1. At the end of the examination, the student will need to scan the hand written pages of the answer script and convert it to a **single PDF** file using an appropriate app (**as advised**).
2. The maximum limits of the resultant PDF file, which is to be uploaded, is **5.0 MB**.
3. Once a student uploads the PDF file, the upload will be closed for that examination and the student will **NOT** be able to upload it again. Therefore, it is extremely important that the student practices beforehand so as to have a smooth uploading experience.

*You can find relevant instructions for scanning your answer script to a single PDF file in the page* ***Scanning to PDF****. If you follow the correct procedure for your device, the resultant PDF file for scanning 10 (ten), A4 size pages is only about 2.0MB large. We suggest that the student practices this part (scanning to PDF) well before and familiarise him / herself with the whole procedure.*

## আপলোডৰ উৰ্দ্ধসীমা

1. পৰীক্ষাৰ অন্তত, পৰীক্ষাৰ্থীয়ে উত্তৰ বহীৰ পৃষ্ঠাবোৰ উপযুক্ত এপ্ (app) ৰ যোগেদি (কেনেকৈ কৰিব, তাৰ কাৰণে **নিৰ্দেশিকা চাওক**) এটা **PDF** ফাইললৈ পৰিবৰ্তিত কৰিব লাগিব।
2. PDF ফাইলটোৰ আকাৰ **5.0 MB** তকৈ বেছি হ'ব নোৱাৰিব।
3. পৰীক্ষাৰ্থী এজনে এবাৰ PDF ফাইলটো আপলোড্ কৰাৰ পাছত, দ্বিতীয়বাৰ আকৌ আপলোড্ কৰিব **নোৱাৰিব**। সেয়েহে, এইটো অতিশয় গুৰুত্বপূৰ্ণ আৰু মনকৰিবলগীয়া কথা যে পৰীক্ষাৰ্থীজনে যাতে এই গোটেই প্ৰক্ৰিয়াটো আগতে অনুশীলন কৰে।

উত্তৰ বহী স্কেন্ কৰি *PDF* ফাইললৈ পৰিবৰ্তিত কৰাৰ গোটেই প্ৰক্ৰিয়াটোৰ বিশদ বিবৰণ **এই পৃষ্ঠাত** দিয়া আছে। যদি কোনোৱে, এই প্ৰক্ৰিয়াটো শুদ্ধভাৱে পালন কৰে, তেন্তে প্ৰতি দহখন *A4* আকাৰৰ কাগজৰ কাৰণে তৈয়াৰ হোৱা *PDF* ফাইলৰ আকাৰ মাত্ৰ *2.0 MB* মানহে হ'ব। কাজেই, প্ৰতিজন পৰীক্ষাৰ্থীয়ে এই প্ৰক্ৰিয়াটোৰ লগত নিজকে চিনাকী কৰি লোৱাটো বাঞ্ছনীয়।

## Preparing Your Answer Script

This is undoubtedly the most important part of the examination and require you to have a meticulous planning. For your reference, we have prepared a template file containing the sample front page and other pages, which you can download and printout to be used as your answer script in **this page**.

## উত্তৰ বহী কেনেকৈ তৈয়াৰ কৰিব লাগিব

এই পৰীক্ষাৰ এটা অন্যতম গুৰুত্বপূৰ্ণ কাৰ্য্য হ'ল পৰীক্ষাৰ উত্তৰ বহী তৈয়াৰ কৰা। এই ক্ষেত্ৰত এজন পৰীক্ষাৰ্থীয়ে অতি সাৱধানতাৰে গোটেই প্ৰক্ৰিয়াটোত মনোনিবেশ কৰা উচিত। পৰীক্ষাৰ্থী সকলৰ কাৰণে সেয়েহে, উদাহৰণমূলকভাৱে দহ পৃষ্ঠাৰ এখন উত্তৰ বহীৰ নমুনা তৈয়াৰ কৰা হৈছে। উত্তৰ বহীখনৰ এই নমুনা **এই পৃষ্ঠাৰ** পৰা ডাউনলোড্ কৰিব পাৰি। পৰীক্ষাৰ্থী সকলে এই নমুমামূলক উত্তৰ বহীখনো নিজৰ উত্তৰ বহী হিচাবে ব্যৱহাৰ কৰিব পাৰে।



© Gauhati University, 2021

## Detailed Rules & Guidelines

1. All answers MUST be handwritten by the examinee on white & blank A4 sheets of paper.
2. The first page of the answer scripts MUST contain the following
   - Subject Name and Subject Code
   - Registration No
   - Roll No
   - Paper Code
3. All the pages MUST contain page numbers

*In the OTBE website, you will find an option to download a template for your answer script, which contains 10 pages. You may have more or less than 10 pages of sheet, but **remember** that the size of the PDF file of your answer script MUST be within 5.0 MB.*

*If the size of the PDF file becomes more than 5.0 MB, the student will **NOT** be able to upload the answer script.*

## বিশদ নিয়মাৱলী আৰু নিৰ্দেশিকা সমূহ

1. সকলো প্ৰশ্নৰ উত্তৰ, পৰীক্ষাৰ্থীয়ে নিজ হাতেৰে A4 আকাৰৰ বগা কাগজত লিখিব লাগিব।
2. উত্তৰ বহীৰ প্ৰথম পৃষ্ঠাত তলত দিয়া তথ্য খিনি থাকিব লাগিব।
   - বিষয়ৰ নাম আৰু বিষয় সংকেত (subject code)
   - পঞ্জীয়ন নং
   - ৰোল্ নং
   - পৰীক্ষা কাকত সংকেত (paper code)
3. উত্তৰ বহীৰ সকলো পৃষ্ঠাত, একৰ পৰা ক্ৰমান্বয়ে পৃষ্ঠাংক থাকিব লাগিব

নমুনা হিচাবে দিয়া উত্তৰ বহীখন ডাউনলোড্ কৰিবলৈ তলৰ চিত্ৰত ক্লিক্ কৰক৷ এই বহীখনত দহ পৃষ্ঠা আছে৷ কোনো পৰীক্ষাৰ্থীৰ উত্তৰ বহীৰ পৃষ্ঠাৰ সংখ্যা দহতকৈ বেছি বা কম হ'ব পাৰে, কিন্তু উত্তৰ বহীৰ *PDF* ফাইল্ ৰ আকাৰ, কোনো কাৰণতেই *5.0 MB* ৰ বেছি হ'ব **নোৱাৰিব**৷

যদি *PDF* ফাইল্ ৰ আকাৰ *5.0 MB* তকৈ বেছি হয়, পৰীক্ষাৰ্থীজনে ফাইল্ টো আপলোড্ কৰিব **নোৱাৰিব**৷

## The Question Paper for OTBE-2021

The marks for a question paper for OTBE-2021 will be **56** for some papers and **less than 50** for the others. **However, it is important to note that the question paper will cover full syllabus of the subject**.

*During the OTBE-2021, in a question paper, there will be some questions, to answer which the student will require proper understanding of the subject.*

## OTBE-2021ৰ প্ৰশ্নকাকত

এই OTBE-2021ৰ প্ৰশ্নকাকতৰ মান (marks), কোনো বিষয়ৰ কাৰণে **56** হ'ব আৰু বাকীবোৰৰ কাৰণে **50 তকৈ কম** হ'ব৷ **কিন্তু, পৰীক্ষাৰ্থী সকলে এইটো মন কৰা উচিত যে, OTBE-2021ৰ প্ৰশ্নকাকতখনত সম্পূৰ্ণ পাঠ্যতালিকাৰ প্ৰশ্ন থাকিব৷**

এই *OTB* পৰীক্ষাৰ প্ৰশ্নকাকতত, কিছুমান এনেকুৱা ধৰণৰ প্ৰশ্ন থাকিব যাৰ উত্তৰ লিখিবলৈ পৰীক্ষাৰ্থী এজনৰ বিষয়টোৰ ওপৰত যথোপযুক্ত উপলব্ধিৰ আৱশ্যক হ'ব৷


© Gauhati University, 2021

## Important to note that

1. You **MUST** use the proper app in your smartphone of computer to scan your answer script into a single PDF file, as advised in **these pages**.
2. It is important **NOT** to take photograph and scan, which will increase the file size beyond the prescribed limit of 5.0 MB. You should directly **scan** the sheets through an appropriate app.
3. While scanning, you should always opt for a **Black & White** scan as scanning with Colour will definitely require more file size.
4. The file prepared for uploading the answer script should be simple name with **ONLY** letters **OR** letters and numbers such as **paper.pdf** OR **paper05.pdf.**
5. The file name **MUST NOT** contain any **spaces** OR any of the following **special characters**:

```
~  `  @  #  $  %
^  &  *  (  )  -
+  =  {  }  [  ]
|  \  :  ;  "  '
<  >  ,  ?  /
```

## গুৰুত্বপূৰ্ণ নিৰ্দেশিকা

1. পৰীক্ষাৰ্থী সকলে নিজৰ স্মাৰ্টফোন্ অথবা কম্পিউটাৰত উপযুক্ত এপচ্ (apps) ব্যৱহাৰ কৰাটো অনিবাৰ্য্য৷ এই বিষয়ে আমাৰ নিৰ্দেশিকা **ইয়াত** চাব পাৰে৷
2. এইটো অতি গুৰুত্বপূৰ্ণ যে, পৰীক্ষাৰ্থী সকলে যেন নিজৰ উত্তৰ বহীৰ ফটোগ্ৰাফ্ লৈ তাক আকৌ স্কেন্ **নকৰে**৷ এনে কৰিলে ফাইলৰ আকাৰ নিৰ্ধাৰিত কৰি দিয়া 5.0 MB তকৈ বহু বেছি হ'ব পাৰে৷ ইয়াৰ বিপৰীতে পৰীক্ষাৰ্থী সকলে উত্তৰ লিখা পৃষ্ঠাবোৰক পোনপটীয়াকৈ এপ্ যোগে **স্কেন্** কৰা উচিত৷
3. স্কেন্ কৰোঁতে সদায়েই পৃষ্ঠাখন **ক'লা-বগা** (Black & White) কৈ স্কেন্ কৰা উচিত, কাৰণ ৰঙীন স্কেন্ ৰ আকাৰ নিশ্চয়কৈ বেছি হয়
4. উত্তৰবহী আপলোড্ কৰিবলৈ তৈয়াৰ কৰা ফাইলৰ নাম সৰল আকাৰৰ - মাত্ৰ ইংৰাজী বৰ্ণমালাৰ আখৰ বা আখৰ আৰু সংখ্যাযুক্ত হোৱা উচিত যেনে **paper.pdf** বা **paper05.pdf.**
5. ফাইলটোৰ নামত কোনো ধৰণৰ **খালী ঠাই (space)** নাইবা তলত দিয়া **বিশেষ চিহ্ন** কেইটা থাকিব নোৱাৰিব৷:

```
~  `  @  #  $  %
^  &  *  (  )  -
+  =  {  }  [  ]
|  \  :  ;  "  '
<  >  ,  ?  /
```

## Important information regarding uploading of answer script

*One should note that the examination computer system is intelligent enough to track all the student activities during the examination time and it can detect whether an examinee has tried to upload an answer script or not.*

1. If an examinee **tries** to upload the answer script on time but **fails** to upload it successfully, s/he can continue to upload the file for another **additional 30 minutes** after the expiry of the designated time of upload.

## উত্তৰবহী আপলোডৰ সন্দৰ্ভত এটা গুৰুত্বপূৰ্ণ জাননী

এইটো মন কৰা উচিত যে, পৰীক্ষাৰ কাৰ্য্য চলাবলৈ ব্যৱহাৰ কৰা কম্পিউটাৰ্ ব্যৱস্থাটোৱে পৰীক্ষাৰ সময়ছোৱাত পৰীক্ষাৰ্থীৰ সকলো কাৰ্য্য-কলাপৰ খতিয়ান তৈয়াৰ কৰি ৰাখে আৰু ই কোনো পৰীক্ষাৰ্থীয়ে উত্তৰবহী আপলোড্ কৰিবলৈ চেষ্টা কৰিছেনা নাই, ইয়াকো ধৰা পেলাব পাৰে৷

1. যদি কোনো পৰীক্ষাৰ্থীয়ে নিৰ্দ্দিষ্ট সময়সীমাৰ ভিতৰত উত্তৰবহী আপলোড্ কৰিবলৈ **চেষ্টা কৰিছে** কিন্তু সফলতাৰে আপলোড্ কৰিব পৰা নাই, তেনে পৰীক্ষাৰ্থীয়ে, সময় শেষ হোৱাৰ পাছতো **অতিৰিক্ত 30 মিনিটলৈকে** উত্তৰবহী আপলোডৰ কাৰণে চেষ্টা কৰিব পাৰিব৷


© Gauhati University, 2021

2. If a student fails to upload even during the additional time, the student will be marked as **ABSENT** in the examination.

3. However, an examinee **does NOT** try to upload the answer script during the designated time, the time for such an examinee will automatically expire at the designated hour and the examinee will be marked **ABSENT**.

*It is **important** to NOTE that in order to avail the additional 30 minutes of time for uploading, a student **MUST** try to upload within the designated time for upload.*

2. যদি কোনো পৰীক্ষাৰ্থীয়ে অতিৰিক্ত সময়তো আপলোড্ কৰিবলৈ সমৰ্থ নহয়, তেন্তে পৰীক্ষাৰ্থীজনক সেই পৰীক্ষাত **অনুপস্থিত** বুলি গণ্য কৰা হ'ব।

3. কিন্তু কোনো পৰীক্ষাৰ্থীয়ে যদি নিৰ্দ্দিষ্ট সময়সীমাৰ ভিতৰত উত্তৰবহী আপলোড্ কৰিবলৈ **চেষ্টা নকৰে**, তেনে পৰীক্ষাৰ্থীৰ কৰণে, আপলোডৰ সময় নিৰ্দ্দিষ্ট সময়ত শেষ হৈ যাব আৰু তেনে পৰীক্ষাৰ্থীয়ে আপলোডৰ কাৰণে আৰু সুবিধা নাপাব আৰু তেঁওক পৰীক্ষাত **অনুপস্থিত** বুলি গণ্য কৰা হ'ব।

*এইটো অতিশয় গুৰুত্বপূৰ্ণভাৱে মনকৰিবলগীয়া কথা যে, 30 মিনিটৰ অতিৰিক্ত সময় যদি কোনো পৰীক্ষাৰ্থীয়ে আপলোডৰ কাৰণে ব্যৱহাৰ কৰিব খোজে, তেন্তে সেই পৰীক্ষাৰ্থীয়ে, নিৰ্দ্দিষ্ট সময়সীমাৰ ভিতৰতে, আপলোডৰ কাৰণে **চেষ্টা কৰাটো** প্ৰয়োজনীয়।*

## Some reasons why an examinee may fail to upload answer script

Following are some of the reasons why an examinee may not be able to upload the answer script on time. The suggested remedy is given just below the issue in blue colour.

1. The web browser may be outdated.

   *Update the web browser to the latest version.*

2. Multiple browser windows are open in the same device with multiple login sessions.

   *Close all the browser windows. Open a new browser window, login afresh one at a time, and try to upload the answer script.*

3. The browser window may become inactive and the session may expire due to long period of inactivity.

   *Close the browser window, open a new one, login afresh, and tries to upload.*

## উত্তৰবহী আপলোড্ কৰিব নোৱাৰাৰ কিছু কাৰণ

নিৰ্দ্দিষ্ট সময়ত, উত্তৰবহী সফলতাৰে আপলোড্ কৰিব নোৱাৰাৰ কিছু কাৰণ তলত দিয়া হৈছে। লগতে নীলা ৰঙত ইয়াৰ সম্ভাব্য প্ৰতিবিধানো দিয়া হৈছে।

1. ৱেব্ ব্ৰাউজাৰ্ টো পুৰণা।

   ৱেব ব্ৰাউজাৰটো ইয়াৰ নতুনতম সংস্কৰণলৈকে উন্নীত কৰক।

2. একেটা কম্পিউটাৰ বা একেটা মোবাইলতে এটাতকৈ অধিক ব্ৰাউজাৰ খোলখাই আছে আৰু একাধিক লগ্-ইন্ ছেছন্ (session) সক্ৰিয় হৈ আছে।

   সকলো ব্ৰাউজাৰ সমূহ বন্ধকৰি, এটা মাত্ৰ ব্ৰাউজাৰ নতুনকৈ খোলক, লগ্-ইন্ কৰক, আৰু আপলোড্ কৰিবলৈ চেষ্টা কৰক।

3. বহুত সময় একো কাৰ্য্য-কলাপ নোহোৱাৰ কাৰণে ব্ৰাউজাৰৰ ছেছনটোৰ সমাপ্তি ঘটিছে।

   ব্ৰাউজাৰটো বন্ধ কৰি নতুনকৈ খোলক, লগ্-ইন্ কৰক, আৰু আপলোড্ কৰিবলৈ চেষ্টা কৰক।


© Gauhati University, 2021

## About Mock Tests

- The university will open a Mock Test Portal (MTP) to familiarise the students to the online Open Text Book Examination (OTBE) process.
- The MTP will be open for different streams on different days (prior to the actual examination) and will typically open for a couple of days, depending on the number of examinee in the streams, the schedule for which is given in the drop-down menu (or you can click on the button at the bottom this page).
- **It is extremely important to NOTE that this Mock Test is NOT meant to test the knowledge of the examinee or to provide any sample question paper for any subject. This test is just an effort to familiarise the student to the technicalities of the online examination process as there WILL NOT be any offline processes during the process.**

## অনুশীলনমূলক পৰীক্ষাসমূহ

- গুৱাহাটী বিশ্ববিদ্যালয়ে, পৰীক্ষাৰ্থীসকলক এই অনলাইন্ মাধ্যমত হ'বলগীয়া মুক্ত পাঠ্য-পুঠি পৰীক্ষাৰ প্ৰক্ৰিয়াটোৰ লগত চিনাকী কৰি দিবলৈ, এটা অনুশীলনমূলক পৰীক্ষা পোৰ্টেল্ (portal) মুকলি কৰি দিব।
- এই পোৰ্টেল্ টো বিভিন্ন শাখাৰ বেলেগ বেলেগ বিষয় অনুসৰি, বেলেগ বেলেগ দিনত খোলা যাব। সধাৰণতে, এই পোৰ্টেল্ টো, বিভিন্ন বিষয়ত অৱতীৰ্ণ হ'বলগীয়া পৰীক্ষাৰ্থীৰ সংখ্যা অনুসৰি, এদিনৰ পৰা কেইবাদিন পৰ্য্যন্ত খোলা থাকিব। ইয়াৰ সময়সূচী, **এই পৃষ্ঠাত** চাব পাৰিব (নাইবা তলত দিয়া সংযোগৰ পৰাও চাব পাৰে)।
- **পৰীক্ষাৰ্থীসকলে, এইটো কথা মনকৰিবলগীয়া যে, এই অনুশীলনমূলক পৰীক্ষা পৰীক্ষাৰ্থীৰ কোনো ধৰণৰ বিষয়-জ্ঞানৰ বিষয়ে নহয় আৰু ইয়াত কোনো বিষয়ৰ কোনোধৰণৰ উদাহৰণমূলক প্ৰশ্নকাকতো দিয়া ন'হ'ব। ই মাত্ৰ, পৰীক্ষাৰ্থীসকলক এই অনলাইন্ মাধ্যমেৰে হ'বলগীয়া পৰীক্ষাৰ কাৰিকৰী দিশটোৰ লগত চিনাকী কৰি দিয়াৰহে এক প্ৰয়াস, কিয়নো এই পৰীক্ষা-প্ৰক্ৰিয়াত কোনো ধৰনৰ কায়িক (physical বা offline) কাৰ্য্যাৱলী নাথাকিব।**

## How will the Mock Test be Conducted?

1. The schedule of test for various streams and subject will be published in **this page**.
2. A student is supposed to login to the MTP on the day for that particular stream or subject with the credentials (as per requirements given in the MTP).
   ***The Mock Test portal will be open from 08:00 Hours to 16:00 Hours on a day and a student can login anytime during this period. They can also login multiple times to see if the process is satisfactory if they face some difficulty in one login session.***
3. Upon login to the MTP, the student will be required to download a document (NOT a Question Paper), the process of which will be same as downloading the actual question paper. A sample of this document can also be found **here**, which lists the instructions a student needs to follow during this mock exercise.

## অনুশীলনমূলক পৰীক্ষাসমূহ কেনেকৈ হ'ব?

1. এই অনুশীলনমূলক পৰীক্ষাৰ সময়সূচী **এই পৃষ্ঠাত** চাব পাৰে।
2. এজন পৰীক্ষাৰ্থীয়ে তেওঁৰ বিষয় বা শাখা অনুসৰি সেইদিনাৰ পৰীক্ষাৰ পোৰ্টেল্ ত দিয়া নিৰ্দ্দেশিকা অনুযায়ী লগ্-ইন্ কৰিব লাগিব।
   ***এই অনুশীলনমূলক পৰীক্ষাৰ পোৰ্টেল্ দিনৰ 08:00 বজাৰ পৰা 16:00 বজালৈকে খোলা থাকিব আৰু এজন পৰীক্ষাৰ্থীয়ে এই সময়সীমাৰ ভিতৰত যিকোনো সময়তে লগ্-ইন্ কৰিব পাৰিব। যদি প্ৰথমবাৰ লগ্-ইন্ কৰোঁতে কোনো পৰীক্ষাৰ্থী অসুবিধাৰ সন্মুখীন হয়, তেন্তে প্ৰয়জন অনুসৰি, তেওঁ এবাৰতকৈ বেছিও লগ্-ইন্ কৰিব পাৰিব।***
3. লগ্-ইন্ কৰাৰ পাছত, পৰীক্ষাৰ্থীজনে এখন এক পৃষ্ঠাৰ এখন নিৰ্দ্দেশাৱলী ডাউনলোড্ কৰিব লাগিব, যিখন ডাউনলোড্ কৰাৰ প্ৰক্ৰিয়া এখন প্ৰকৃত প্ৰশ্নকাকত ডাইনলোড্ কৰাৰ নিচিনাই হ'ব। এই নিৰ্দ্দেশাৱলীখনৰ এক নমুনা **এই সংযোগৰ** পৰা চাব পাৰি, যিখনত পৰীক্ষাৰ্থী এজনে এই অনুশীলনমূলক পৰীক্ষাৰ দিনা কি কি নিয়ম পালন কৰিব লাগিব, সেইয়া লিখা থাকিব।


© Gauhati University, 2021

4. After which the student will be asked to upload a sample scanned PDF file of maximum size 5.0MB.

5. The Mock Test concludes once both the downloading and uploading process is completed.

6. The student will get exactly same environment as the MTP in theory actual examination.

*During this Mock Preparation, the examinee should try keep the download and upload times within the limits already published here, taking note of the fact that in actual examination portal, they will be able to carry out the whole process*

4. ইয়াৰ পাছত, পৰীক্ষাৰ্থীজনে, দহটা পৃষ্ঠাৰ এখন স্কেন্ কৰি তৈয়াৰ কৰা PDF ফাইল্ আপলোড্ কৰিব লাগিব, যাৰ আকাৰ 5.0MB তকৈ বেছি হ'ব নোৱাৰিব।

5. ডাউনলোড্ আৰু আপলোডৰ প্ৰক্ৰিয়া সমাপ্ত হোৱাৰ লগে লগেই, এই অনুশীলনমূলক পৰীক্ষা শেষ হ'ব।

6. এই অনুশীলনমূলক পৰীক্ষাৰ প্ৰক্ৰিয়া, প্ৰকৃতভাৱে হ'বলগীয়া পৰীক্ষাৰ প্ৰক্ৰিয়াৰ লগত হুবহু একে।

এই অনুশীলনমূলক পৰীক্ষাত, পৰীক্ষাৰ্থীসকলে এইটো কথাত মনোনিবেশ কৰা উচিত যে, তেওঁলোকে যাতে, এই পৃষ্ঠাত দিয়া পৰীক্ষাৰ সময়সীমাৰ ভিতৰত, ডাউনলোড্ আৰু আপলোড্ ৰ এই সম্পূৰ্ণ প্ৰক্ৰিয়াটো সম্পন্ন কৰিব পাৰে, কিয়নো, প্ৰকৃত পৰীক্ষাত, পৰীক্ষাৰ্থীসকলে এই প্ৰক্ৰিয়াটো মাত্ৰ এবাৰতে সম্পূৰ্ণ কৰিব লাগিব।

## Additional Advisories

1. Although NOT necessary, it is advisable to use Google's Chrome browser for the examination portal.

2. It is useful to enable POP UP in the browser for the examination portal. You can look at various Internet resources to know how to enable POP UP for your browser.

3. It also advisable that if uploading and downloading problems persist, one should try using a private (incognito) window in the browser.

4. It is advisable that the student logs into the examination portal to download the question paper and then logs out of it and agin logs into the portal to upload the answer script.

## অতিৰিক্ত উপদেশাত্মক জাননী

1. যদিও অত্যাৱশ্যকীয় নহয়, পৰীক্ষাৰ পোৰ্টেলত গুগুলৰ ক্ৰ'ম ব্ৰাউজাৰটো ব্যৱহাৰ কৰাটো বাঞ্চনীয়।

2. পৰীক্ষাৰ পোৰ্টেলৰ কাৰণে, ওৱেব্ ব্ৰাউজাৰটোৰ 'প'প-আপ' (POP UP)ক সন্মতি প্ৰদান কৰি থোৱাটো বাঞ্চনীয়। পৰীক্ষাৰ্থীসকলে নিজৰ নিজৰ ব্ৰাউজাৰৰ কাৰণে কেনেকৈ প'প-আপক সন্মতি প]ৰদান কৰিব পাৰে, তাৰ কাৰণে ইন্টাৰনেটত চাব পাৰে।

3. যদি আপলোড্ বা ডাউনলোড্ কৰোঁতে পৰীক্ষাৰ্থীসকলে বাৰম্বাৰ অসুবিধাৰ সন্মুখীন হয়, তেন্তে তেওঁলোকে ব্ৰাউজাৰটোক ব্যক্তিগত (private) বা পৰিচয়বিহীন (incognito) ভাৱে খুলি চেষ্টা কৰিবা পাৰে।

4. এইটো বাঞ্চনীয় যে, এজন পৰীক্ষাৰ্থীয়ে পৰীক্ষাৰ আৰম্ভণিতে প্ৰশ্নকাকত ডাউনলোড্ কৰাৰ পাছত যাতে পৰীক্ষাৰ পোৰ্টেলৰ পৰা লগ্-আউট্ কৰে আৰু উত্তৰবহী তৈয়াৰ কৰাৰ পাছত, নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত পুনৰবাৰ আপলোড্ কৰিবলৈ লগ্-ইন্ কৰে।



© Gauhati University, 2021

## Help at the college level

1. Each college will provide a helpline number for their own students, which will be available during the examination for any kind of technical help.
2. In case a student ultimately fails to upload the answer script within the stipulated time of 1 hour and the additional time of 30 minutes, the student may approach the said helpline number and s/he may be allowed to submit the answer script through email with sufficient proof that there is a genuine failure during the uploading process (see below).
3. This email will be specific to the college concerned and will be ONLY valid for the students belonging to that college. This email will be made available to the students by the respective colleges.

### Proof of failure

1. In case a student is allowed to submit the answer script by email to the college (after due consultation through the respective helpline number), such email MUST accompany a genuine **Proof of Failure** that the student has tried to upload the answer script within the stipulated time and also have tried during the additional extra time.
2. Such **Proof of Failure** can be a screenshoot of the submission window of the examination portal which MUST clearly show the **time** at which the the student has tried to upload and also should show the **failure message**.
3. This **Proof of Failure** will then be matched with the record at the examination computer system to validate its authenticity and it will be accepted ONLY when the failure is found to be genuine and authenticated against the log records at the computer system.
4. The students should contact the respective colleges in this regard.

## মহাবিদ্যালয়ৰ স্তৰত পাব পৰা সহায়তা

1. প্ৰত্যেকখন মহাবিদ্যালয়ে, নিজৰ পৰীক্ষাৰ্থীসকলৰ কাৰণে, এটা হেল্প্-লাইন্ নাম্বাৰ ঘোষণা কৰিব, যিটোত পৰীক্ষাৰ্থীসকলে পৰীক্ষাৰ সময়ত কাৰিকৰী সহায়তাৰ কাৰণে যোগাযোগ কৰিব পাৰিব।
2. যদি কিবা কাৰণবশতঃ কোনো পৰীক্ষাৰ্থীয়ে উত্তৰবহী নিৰ্ধাৰিত 1ঘন্টাৰ ভিতৰত আৰু অতিৰিক্ত 30 মিনিটৰ ভিতৰতো আপলোড্ কৰিব নোৱাৰে, তেন্তে তেঁও ওপৰত উল্লেখ কৰা হেল্প্-লাইন্ নাম্বাৰত যোগাযোগ কৰিব পাৰিব আৰু তেঁওক ই-মেইলৰ যোগেদি উত্তৰবহী জমা কৰিবলৈ দিয়াৰ কাৰণে অনুমতি দিয়া যাব পাৰে, যদিহে পৰীক্ষাৰ্থীজনে আপলোড্ কৰিব নোৱাৰাৰ উপযুক্ত প্ৰমাণ দেখুউৱাব পাৰে (তলত চাওক)।
3. এই ই-মেইলটো প্ৰতিখন মহাবিদ্যালয়ৰ কাৰণে বেলেগ বেলেগ হ'ব আৰু মাত্ৰ সেই মহাবিদ্যালয়ৰ পৰীক্ষাৰ্থীৰ কাৰণেহে প্ৰযোজ্য হ'ব। এই ই-মেইল্ পাবৰ কাৰণে, পৰীক্ষাৰ্থীসকলে নিজৰ নিজৰ মহাবিদ্যালয়ৰ লগত যোগাযোগ কৰিব পাৰে।

### অসফলতাৰ প্ৰমাণ

1. যদি কোনো পৰীক্ষাৰ্থীয়ে প্ৰকৃত কাৰণবশতঃ উত্তৰবহী আপলোড্ কৰিব নোৱাৰে, তেঁওক উত্তৰবহী ওপৰত উল্লেখ কৰা ই-মেইলৰ যোগেদি জমা কৰিবলৈ অনুমতি দিয়া হ'ব পাৰে (ওপৰত উল্লেখ কৰা হেল্প্-লাইনত যথাবিহিতভাৱে যোগাযোগ কৰাৰ পাছতহে)। এনেকুৱা ই-মেইলত উত্তৰবহীৰ লগতে আপলোড্ কৰিব নোৱাৰাৰ **অসফলতাৰ প্ৰমাণ** থাকিব লাগিব, য'ত পৰীক্ষাৰ্থীজনে যে নিৰ্ধাৰিত সময় আৰু অতিৰিক্ত সময়ৰ ভিতৰত আপলোড্ কৰিবলৈ চেষ্টা কৰিছিল, তাৰ প্ৰমাণ থাকে।
2. এনেকুৱা **অসফলতাৰ প্ৰমাণ**ত, পৰীক্ষাৰ্থীজনে আপলোড্ কৰিবলৈ চেষ্টা কৰাৰ পৰীক্ষাৰ পোৰ্টেলৰ স্ক্ৰীণৰ প্ৰতিলিপি (screenshot) থাকিব পাৰিব য'ত আপলোড্ কৰিবলৈ চেষ্টা কৰাৰ সময় লিপিবদ্ধ হৈ থাকিব লাগিব আৰু লগতে আপলোড্ যে হোৱা নাই, সেই বাৰ্তাৰ প্ৰতিলিপিও থাকিব লাগিব।
3. এই **অসফলতাৰ প্ৰমাণ**ক, পৰীক্ষাৰ কম্পিউটাৰ ব্যৱস্থাত নথিভুক্ত হৈ থকা তথ্যৰ লগত প্ৰমাণৰ সত্যাসত্যৰ বাবে পৰীক্ষা কৰা হ'ব আৰু জমা কৰা প্ৰমাণ প্ৰকৃত বুলি প্ৰমাণসিদ্ধ কৰাৰ পাছতহে, জমা দিয়া উত্তৰবহী গৃহীত হ'ব।
4. এই সন্দৰ্ভত, পৰীক্ষাৰ্থীসকলে নিজৰ নিজৰ মহাবিদ্যালয়ক যোগাযোগ কৰা উচিত।


© Gauhati University, 2021